

# আয়ুস্মান সহকাৰ

সমগ্ৰ স্বাস্থ্য পৰিচৰ্যা আন্তঃগাঁথনি, শিক্ষা আদিৰ দিশত সেৱা আগবঢ়োৱা সমবায়সমূহলৈ বিত্তীয় সাহাৰ্য্য প্ৰদান কৰাৰ অৰ্থে প্ৰতিষ্ঠিত আয়ুস্মান সহকাৰ হৈছে ‘এন চি ডি চি’ ৰ এক আঁচনি।

www.ncdc.in

## এন.সি.ডি.সি. (NCDC),

ন্যাশ্বন্যাল্ কো–অপাৰেটিভ ডেভেলপমেন্ট কৰ্পৰেশ্বন্ হৈছে লোকসভাৰ ১৯৬৩ চনৰ আইনৰ অধীনত ভাৰত চৰকাৰে প্ৰতিষ্ঠা কৰা এক সৰ্বোচ্চ স্বায়ত্ব বিধিসন্মত প্ৰতিষ্ঠান। উৎপাদন, প্ৰক্ৰিয়াকৰণ, বিপণন, সংৰক্ষণ, কৃষিজাত উৎপাদন, খাদ্যসামগ্ৰী, উদ্যোগিক সামগ্ৰী, পশুধন আৰু অন্যান্য পণ্য বস্তুৰ আমদানি আৰু ৰপ্তানি আৰু অন্যান্য সেৱাসমূহ যেনে চিকিৎসা, স্বাস্থ্য পৰিচৰ্যা আৰু শিক্ষা ইত্যাদি কাৰ্যসূচীসমূহৰ সহযোগিতামূলক নীতিৰে পৰিকল্পনা আৰু উন্নীতকৰণৰ উদ্দেশ্যে ইয়াক সৃষ্টি কৰা হৈছে। প্ৰাথমিক পৰ্যায়, জিলা পৰ্যায় আৰু সৰ্বোচ্চ/বহু জিলা পৰ্যায় এই সমগ্ৰ তিনিটা স্তৰতে এই আঁচনিয়ে সমবায়সমূহলৈ বিত্তীয় সাহাৰ্য্যৰ প্ৰসাৰণ ঘটায়। এন চি ডি চি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়, ভাৰত চৰকাৰৰ প্ৰশাসনিক নিয়ন্ত্ৰণাধীন।

ক্লায়েন্ট সমবায়সমূহলৈ বিস্তৃত ৰূপত উৎপাদন আৰু সেৱা প্ৰদান কৰা আৰ্থিক উৎসৰূপে ‘এন চি ডি চি’ ৰ আত্মপ্ৰকাশ ঘটে। এন চি ডি চি হৈছে ISO 9001:2015 প্ৰত্যয়িত এক সংস্থা।

## আয়ুস্মান সহকাৰ

ভাৰত চৰকাৰৰ কৃষি, নিগম আৰু কৃষক কল্যাণ, কৃষক কল্যাণ মন্ত্ৰালয়ৰ ৰাজপত্ৰ বিজ্ঞপ্তি অনুসৰি চিকিৎসা সেৱা, স্বাস্থ্য পৰিচৰ্যা আৰু শিক্ষা হৈছে 'এন চি ডি চি' ৰ অধীনৰ সূচীত সেৱা। 'এন চি ডি চি' য়ে সূচীত সেৱাসমূহলৈ বিত্তীয় সাহাৰ্য্য আগবঢ়ায়।

**“ এন চি ডি চি' ৰ সাহাৰ্য্যপ্ৰাপ্ত প্ৰাথমিক, দ্বিতীয়ক আৰু তৃতীয়ক হেলথ্‌কেয়াৰ চলোৱা সমবায়সমূহে সফলতাৰে জনসাধাৰণৰ সেৱা আগবঢ়াবলৈ সক্ষম হৈছে। ”**

# উদ্দেশ্যসমূহ

২০২০ বৰ্ষৰ ১৫ আগষ্ট তাৰিখে মাননীয় প্ৰধানমন্ত্ৰীয়ে নেছনেল ডিজিটেল হেলথ্ মিচনৰ শুভাৰম্ভ কৰে। ভাৰতৰ স্বাস্থ্য খণ্ডত ই নতুন বিপ্লৱৰ সূচনা কৰিব আৰু প্ৰযুক্তিৰ সহায়ত চিকিৎসা সেৱা লাভৰ ফলস্বৰূপে সমস্যা লাঘৱ কৰাত সহায়ক হ'ব।

ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ২০১৭ ক গুৰুত্ব প্ৰদান কৰি স্বাস্থ্য, স্বাস্থ্য পৰিচৰ্যা (হেলথ্কেয়াৰ) সেৱা সংগঠন, ৰোগ নিবাৰণ আৰু সুস্বাস্থ্যৰ বিকাশ সাধন, প্ৰযুক্তিৰ উপলব্ধতা, মানৱ সম্পদৰ উন্নয়ন, চিকিৎসালয় একাধিকত্বক উদগনি প্ৰদান, জ্ঞানৰ প্ৰসাৰণ, অধিক স্বচ্ছ বিত্তীয় সুৰক্ষা কাৰ্যনীতিৰ বিকাশ সাধন, সৰ্বজনলৈ বহনযোগ্য স্বাস্থ্য সেৱা প্ৰদানৰ বাবে নিয়ম আৰু স্বাস্থ্য নিশ্চিতকৰণ বিষয়ৰ সবলীকৰণ আদি স্বাস্থ্য ব্যৱস্থাৰ প্ৰতিটো স্তৰতে এক সুগঠী ৰূপ দিয়াৰ লক্ষ্যৰে ইয়াক সৃষ্টি কৰা হয়। ইয়াৰ বাবে প্ৰয়োজন হয় হস্পিটাল, হেলথ্কেয়াৰ, মেডিকেল শিক্ষা, নাৰ্চিং শিক্ষা, পেৰামেডিকেল শিক্ষা, স্বাস্থ্য বীমা এই সমূহ সেৱা AYUSH সেৱাৰ ৰ দৰে সমগ্ৰ স্বাস্থ্য পদ্ধতিৰ সৈতে একীকৰণ হোৱা। এয়া লক্ষ্য কৰা হৈছে যে ঋণ সাহাৰ্য্যৰ অভাৱৰ ফলস্বৰূপে বহু সমবায় চিকিৎসালয়ে MBBS, BDS, BAMS, BHMS, BPT আৰু BUMS আৰু লগতে PG/DNB চিকিৎসা পাঠ্যক্ৰম প্ৰদান কৰা মেডিকেল শিক্ষাৰ ব্যৱস্থা আৰম্ভ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়।

এই অনুসৰি 'এন চি ডি চি' য়ে মুকলি কৰিছে আয়ুস্মান সহকাৰ আঁচনি:

আঁচনিখনৰ উদ্দেশ্যসমূহ হৈছে–

(ক) সমবায় সমিতিসমূহৰ দ্বাৰা চিকিৎসালয়/হেলথ্কেয়াৰ/শিক্ষা ব্যৱস্থাৰ জৰিয়তে বহনযোগ্য স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰাৰ দিশত সাহাৰ্য্য প্ৰদান।

(খ) সমবায় সমিতিসমূহৰ জৰিয়তে আয়ুস (AYUSH) সুবিধাসমূহৰ উন্নয়ন সাধনত সহায়তা।

(গ) ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিৰ উদ্দেশ্যসমূহৰ সাক্ষাৎ লাভৰ বাবে সমবায় সমিতিসমূহক সহায় আগবঢ়োৱা।

(ঘ) নেছনেল ডিজিটেল হেলথ্ মিচনত অংশগ্ৰহণৰ বাবে সমবায় সমিতিসমূহক সহায় কৰা।

(ঙ) শিক্ষা, সেৱা, বীমা আদি বিষয়সমূহ সামৰি লৈ বিস্তৃত স্বাস্থ্যসেৱা প্ৰদান কৰিবলৈ সমবায় সমিতিসমূহক সাহাৰ্য্য প্ৰদান।

**"ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিয়ে প্ৰত্যেক ব্যক্তিয়ে মানদণ্ডপূৰ্ণ স্বাস্থ্যসেৱা লাভ কৰিব পৰা এখন স্বাস্থ্যকৰ ভাৰতবৰ্ষ সৃষ্টি কৰাত আমাৰ উদ্যমৰ এক ঐতিহাসিক মুহূৰ্ত চিহ্নিত কৰিছে"**

**শ্ৰী নৰেন্দ্ৰ মোডী, মাননীয় প্ৰধানমন্ত্ৰী**

## আয়ুষ্মান সহকাৰৰ অধীনত সামৰি লোৱা কাৰ্যসমূহ

১) আন্তঃগাঁথনি: চিকিৎসালয়, হেলথ্ কেয়াৰ আৰু শিক্ষাৰ আন্তঃগাঁথনিৰ সৃষ্টি, আধুনিকীকৰণ, প্ৰসাৰণ, মেৰামতিকৰণ, নৱীকৰণৰ বাবে ই সামৰি লয়–

ক) তলত উল্লিখিত বিষয়সমূহৰ বাবে সকলো ধৰণৰ আন্তঃগাঁথনি

১) চিকিৎসালয়/আয়ুস/দন্ত/নাৰ্চিং/ফাৰ্মাচী/পেৰামেডিকেল/UG আৰু/নতুবা PG পাঠ্যক্ৰম পৰিচালনা কৰিবলৈ ফিজিঅ’থেৰাপি মহাবিদ্যালয় ইত্যাদি।

২) যোগ সুস্থতা কেন্দ্ৰ

৩) আয়ুৰ্বেদ, এলোপেথি, ইউনানী, সিদ্ধ, হোমিওপেথি আৰু অন্যান্য পৰম্পৰাগত ঔষধেৰে চিকিৎসা সেৱা আগবঢ়োৱা হেলথ্‌কেয়াৰ কেন্দ্ৰসমূহ।

৪) জ্যেষ্ঠ লোকৰ বাবে স্বাস্থ্য সেৱা।

৫) উপশম যত্ন সেৱাসমূহ।

৬) অক্ষম লোকৰ বাবে স্বাস্থ্য পৰিচৰ্যা সেৱা,

৭) মানসিক স্বাস্থ্য পৰিচৰ্যা সেৱা,

৮) জৰুৰীকালীন চিকিৎসা সেৱা/ট্ৰ'মা চেন্টাৰ,

৯) ফিজিঅ'থেৰাপী কেন্দ্ৰ,

১০) ম'বাইল ক্লিনিক সেৱা,

১১) হেলথ্ ক্লাব আৰু ব্যায়ামাগাৰ,

১২) আয়ুস ফাৰ্মাচিউটিক্যাল প্ৰস্তুতকৰণ,

১৩) ঔষধ পৰীক্ষাগাৰ,

১৪) দন্ত পৰিচৰ্যা কেন্দ্ৰ,

১৫) চকুৰ পৰিচৰ্যা কেন্দ্ৰ,

১৬) পৰীক্ষাগাৰ সেৱা,

১৭) ৰোগ নিদান সেৱা,

১৮) ব্লাড বেংক/পৰিব্যাপ্ত সেৱা,

১৯) পঞ্চকৰ্ম/থক্কানাম/কেশৰ সূত্ৰ থেৰাপী কেন্দ্ৰ,

২০) ইউনানীৰ ৰেজিমেন্টেল থেৰাপী কেন্দ্ৰ,

২১) মাতৃস্বাস্থ্য আৰু শিশুৰ পৰিচৰ্যা সেৱা,

২২) প্ৰজনন আৰু শিশুৰ স্বাস্থ্য সেৱা,

২৩) এনে সেৱাৰ সৈতে সম্পৰ্কিত কেন্দ্ৰসমূহক ‘এন চি ডি চি’ য়ে সাহাৰ্য্যৰ বাবে যোগ্য বিবেচনা কৰিব পাৰে।

খ) টেলিমেডিচিন আৰু নিলগীয়া সাহাৰ্য্য প্ৰদানৰ মেডিকেল প্ৰক্ৰিয়া।

গ) স্বাস্থ্য, স্বাস্থ্য পৰিচৰ্যা আৰু শিক্ষা সঞ্চালন তন্ত্ৰ।

ঘ) ডিজিটেল হেলথ্ বিষয়ৰে সম্পৰ্কযুক্ত তথ্য আৰু যোগাযোগ প্ৰযুক্তি।

ঙ) Insurance Regulatory and Development Authority (IRDA) ৰ দ্বাৰা মান্যতাপ্ৰাপ্ত স্বাস্থ্য বীমা।



২) ওপৰৰ দফা ১ ত উল্লিখিত কাৰ্যসমূহৰ বাবে দৈনন্দিন প্ৰয়োজন হোৱা মূলধনৰ খতিয়ন।

৩) দৈনন্দিন কাৰ্য সম্পাদনৰ বাবে মূলধন।

## যোগ্যতা

ৰাজ্য/বহুৰাজ্যিক সমবায় সমিতিৰ অধীনত পঞ্জীভুক্ত দেশত কাম কৰা যিকোনো সমবায় সমিতি যি চিকিৎসালয়/স্বাস্থ্য পৰিচৰ্যা/স্বাস্থ্য শিক্ষা আদিৰ সৈতে সম্পৰ্কযুক্ত সেৱাসমূহ প্ৰদান কৰাৰ বাবে উপবিধি অনুসৰি সুচল সেইসমূহ সমবায় সমিতিয়ে আঁচনিৰ অধীনত বিত্তীয় সাহাৰ্য্য লাভৰ বাবে যোগ্যতাসম্পন্ন।

'এন চি ডি চি' ৰ সাহাৰ্য্যসমূহ ৰাজ্য চৰকাৰৰ জৰিয়তে নতুবা সমবায়সমূহলৈ পোনপটীয়াকৈ প্ৰদান কৰা হ'ব যি 'এন চি ডি চি' ৰ পোনপটীয়া নিধি প্ৰদান নিৰ্দেশাৱলী পূৰ কৰিব।

ভাৰত চৰকাৰ/ৰাজ্য চৰকাৰ/অন্যান্য নিধি প্ৰদান সংস্থাসমূহৰ অন্তৰ্গত অন্যান্য আঁচনি আৰু কাৰ্যক্ৰমৰ সৈতে সহযোগিতাৰ বাবে অনুমতি প্ৰদান কৰা হয়।

## আঁচনি ব্যয়

ই প্ৰকৃত প্ৰয়োজন অনুসৰি সম্পাদিত হ'ব।

## ঋণৰ সময়সীমা

প্ৰকল্পৰ প্ৰকাৰ আৰু ইয়াৰ ৰাজহ সৃষ্টিৰ সক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি মুখ্য ধনৰাশিৰ পৰিশোধৰ সময় ১ ৰ পৰা ২ বছৰলৈ স্থগিতকৰণৰ বিষয়টো সামৰি লৈ ঋণৰ মুঠ সময়সীমা ৮ বছৰ।

## সুদৰ হাৰ

'এন চি ডি চি' ৰ বিজ্ঞপ্তি অনুসৰি সময়ে সময়ে সুদৰ হাৰৰ সংশোধন কৰা হয়। উদগনি হিচাপে অৱধি ঋণ (টাৰ্ম লোন) ৰ প্ৰযোজ্য সুদৰ হাৰতকৈ ১% কম 'এন চি ডি চি' য়ে প্ৰকল্পৰ কাৰ্য সম্পাদনৰ বাবে প্ৰদান কৰে যি ঋণ লোৱা সমবায় সমিতিত সমগ্ৰ কাৰ্যকালৰ বাবে মহিলা সদস্যই সংখ্যাগৰিষ্ঠ হিচাপে সেৱা আগবঢ়ায় আৰু সময়মতে ঋণ পৰিশোধ কৰিব পাৰে।

## সুৰক্ষা

'এন চি ডি চি' য়ে ৰাজ্য চৰকাৰ বা পোনপটীয়া নিধি প্ৰদান ব্যৱস্থাৰ জৰিয়তে সাহাৰ্য্য আগবঢ়ায়। পোনপটীয়া নিধি প্ৰদান ব্যৱস্থাৰ ক্ষেত্ৰত সমবায় সমিতিয়ে ঋণৰ বাবে সুৰক্ষা প্ৰদান কৰিব পাৰে বা 'এন চি ডি চি' ৰ সন্তুষ্টি অনুসৰি তলত উল্লিখিত কাৰ্য সম্পাদন কৰিব পাৰে:

(ক) সম্পত্তি বন্ধক ৰখা। ইয়াৰ ভিতৰত সামৰি লোৱা হয় প্ৰকল্পৰ অধীনত সৃষ্টি কৰিবলগীয়া সম্পত্তি যি 'এন চি ডি চি' য়ে প্ৰদান কৰা লোনৰ পৰিমাণতকৈ ১.৫ গুণ অধিক মূল্যবান।

(খ) ৰাজ্য/কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অঙ্গীকাৰবদ্ধ।

(গ) 'এন চি ডি চি' ৰ লোন্‌ৰ ১.২ গুণ বিস্তৃতিত সূচীভুক্ত বেংক/ৰাষ্ট্ৰীয়কৃত বেংকত 'এফ ডি আৰ' ৰ প্লেজ।

(ঘ) কেন্দ্ৰীয় পিএছইউ/বিধিসন্মত গোট কেন্দ্ৰীয় 'পিএছইউ' ৰ চিএছআৰ ফাউণ্ডেছন ৰ দ্বাৰা প্ৰত্যাভূত।

(ঙ) সূচীভুক্ত বেংক/ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা গ্যাৰান্টি।

(চ) 'এন চি ডি চি' ৰ ঋণৰ ১.২ গুণ বিস্তৃতিৰ প্ৰতি চৰকাৰী বন্ধনী/সুৰক্ষা বন্ধকীকৰণ আৰু বন্টন।

## ৰাজসাহাৰ্য্য

এন চি ডি চি ঋণ সাহাৰ্য্যক ৰাজসাহাৰ্য্য/অনুদান/ভি জি এফ/ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ বা অন্য নিধি প্ৰদান সংস্থাৰ কোনো অন্য তন্ত্ৰৰ সৈতে যুক্ত কৰা বিষয়টো প্ৰস্তাৱিত।

## নিধি প্ৰদান বিন্যাস

তলত দিয়া নিধি প্ৰদান বিন্যাস অনুযায়ী প্ৰকল্প সাহাৰ্য্য সম্পাদিত হ'ব:

## আন্তঃগাঁথনি সৃষ্টি (প্ৰকল্প সুবিধাসমূহ):

| ৰাজ্য চৰকাৰৰ জৰিয়তে নিধি প্ৰদান | | পোনপটীয়া নিধি প্ৰদান |
|---|---|---|
| 'এন চি ডি চি' ৰ পৰা ৰাজ্য চৰকাৰলৈ | ৰাজ্য চৰকাৰৰ পৰা সমিতিলৈ | 'এন চি ডি চি' ৰ পৰা ৰাজ্য চৰকাৰলৈ |
| ঋণ – ৯০% | ঋণ – ৫০%<br>শ্বেয়াৰ ক্যাপিটেল – ৪০% | ঋণ – ৯০% |
| সমিতিৰ ভাগ – ১০% | সমিতিৰ ভাগ – ১০% | সমিতিৰ ভাগ – ১০% |

*যদি ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰ অথবা অন্য কোনো নিধি প্ৰদান সংস্থাৰ কোনো আঁচনিৰ অধীনত ৰাজসাহাৰ্য্য/অনুদান যুক্ত হয় তেতিয়া ঋণৰ পৰিমাণ সমানুপাতিকভাৱে হ্ৰাস পাব পাৰে।

** ৰাজ্য চৰকাৰে শ্বেয়াৰ ক্যাপিটেল প্ৰদান নকৰিলে একে পৰিমাণৰ (৪০%) ঋণ হিচাপে সমিতিলৈ মুকলি কৰি দিয়া হয়।

## মাৰ্জিন মানি:

| ৰাজ্য চৰকাৰৰ জৰিয়তে নিধি প্ৰদান | | পোনপটীয়া নিধি প্ৰদান |
|---|---|---|
| 'এন চি ডি চি' ৰ পৰা ৰাজ্য চৰকাৰলৈ | ৰাজ্য চৰকাৰৰ পৰা সমিতিলৈ | 'এন চি ডি চি' ৰ পৰা সমিতিলৈ |
| বেংক ক্ৰেডিট লাভ কৰিবলৈ ঋণ ১০০% | ঋণ বা শ্বেয়াৰ ক্যাপিটেল বা ঋণ আৰু শ্বেয়াৰ ক্যাপিটেল ১০০% | ঋণ – ১০০% |

* যদি ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰ অথবা অন্য কোনো নিধি প্ৰদান সংস্থাৰ কোনো আঁচনিৰ অধীনত ৰাজসাহাৰ্য্য/অনুদান যুক্ত হয় তেতিয়া ঋণৰ পৰিমাণ সমানুপাতিকভাৱে হ্ৰাস পাব পাৰে।

** মাৰ্জিন মানি সাহাৰ্য্য বিষয়ৰ যোগ্যতা মূল্যায়নৰ অধীনস্থ।

## কাৰ্য সম্পাদনৰ মূলধন:

| ৰাজ্য চৰকাৰৰ জৰিয়তে নিধি প্ৰদান | | পোনপটীয়া নিধি প্ৰদান |
|---|---|---|
| 'এন চি ডি চি' ৰ পৰা ৰাজ্য চৰকাৰলৈ | ৰাজ্য চৰকাৰৰ পৰা সমিতিলৈ | 'এন চি ডি চি' ৰ পৰা সমিতিলৈ |
| প্ৰয়োজন অনুসৰি ঋণ | ঋণ | ঋণ |

## যথোচিত পৰিশ্ৰম

কোনো প্ৰকল্পত অনুমোদন জনোৱাৰ আগতে 'এন চি ডি চি' য়ে ইয়াৰ মূল্যাংকন আৰু যথোচিত পৰিশ্ৰমৰ মান অনুশীলন ব্যৱস্থা অৱলম্বন কৰিব।

'এন চি ডি চি' ৰ অন্যান্য আঁচনি, সাহাৰ্য্যৰ প্ৰকাৰ আৰু ইয়াৰ পৰা নিধি লাভ কৰিবলৈ আৰু সাধাৰণ আবেদন পত্ৰ আদি লাভ কৰাৰ সন্দৰ্ভত অধিক তথ্য লাভৰ বাবে অনুগ্ৰহ কৰি দৰ্শন কৰক www.ncdc.in নতুবা 'এন চি ডি চি' ৰ ৱেবচাইটত উপলব্ধ থকা ইয়াৰ ঠিকনা আৰু যোগাযোগ নম্বৰৰ সহায়ত ইয়াৰ আঞ্চলিক কাৰ্যালয়/মুখ্য কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক।



# আয়ুষ্মান সহকার

আয়ুস্মান সহকাৰ

ন্যাশ্বন্যাল্ কো–অপাৰেটিভ ডেভেলপমেন্ট কৰ্পৰেশ্বন্

কৃষি আৰু কৃষক কল্যাণ মন্ত্রালয়

ভাৰত চৰকাৰ

৪, ইনষ্টিটিউশ্যনেল এৰিয়া, কৌজ থাচ, নতুন দিল্লী–১১০০১৬